# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 21-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ভাৰত আৰু গায়ানাই স্বাস্থ্য, হাইড্ৰ'কাৰ্বন, কৃষি আৰু আনুসংগিক খণ্ডসমূহত সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে তিনিখন চুক্তি স্বাক্ষৰ কৰিছে।

২। মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচন কালি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়।

৩। CBSEয়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ বোৰ্ড পৰীক্ষা অহা বছৰ ১৫ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব বুলি ঘোষণা কৰিছে।

৪। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে প্ৰতিৰোধী  সংক্ৰমণৰ বাবে নেফিথ্ৰ'মাইচিন নামৰ প্ৰথমটো স্বদেশী এণ্টিবায়টিক ঔষধ মুকলি কৰিছে।

*আৰু*

৫। ভাৰতে মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ  খিতাপ দখল কৰিছে। ৰাষ্ট্ৰপতি আৰু উপ ৰাষ্ট্ৰপতিয়ে এই খিতাপ দখল কৰাৰ বাবে ভাৰতীয় হকী দলক অভিনন্দন জনাইছে।

০০০০০

ভাৰত আৰু গায়ানাই স্বাস্থ্য, হাইড্ৰ'কাৰ্বন, কৃষি আৰু আনুসংগিক খণ্ডসমূহত সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে তিনিখন চুক্তি স্বাক্ষৰ কৰিছে। দুয়োখন দেশে চিকিৎসা সামগ্ৰী, জন ঔষধী আঁচনি, সাংস্কৃতিক বিনিময় কাৰ্যসূচী গায়ানাত ইউ পি আই প্ৰণালী আৰম্ভ কৰা আৰু প্ৰসাৰ ভাৰতী তথা গায়ানাৰ ৰাষ্ট্ৰীয় যোগাযোগ নেটৱৰ্কৰ মাজত প্ৰচাৰৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে কেইবাখনো বুজাবুজিৰ চুক্তিও সম্পাদন কৰে। ইয়াৰ উপৰি গায়ানাৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা প্ৰতিষ্ঠান আৰু গুজৰাটৰ প্ৰতিৰক্ষা বিশ্ববিদ্যালয়ৰ মাজতো এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গায়ানাৰ ৰাষ্ট্ৰপতি ড° মহম্মদ ইৰফান আলীৰ মাজত কালি সন্ধিয়া হোৱা প্ৰতিনিধি পৰ্যায়ৰ আলোচনাৰ অন্তত দুয়োখন দেশৰ মাজত এই চুক্তিসমূহ সম্পাদিত হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা যুটীয়া বিবৃতি যোগে কয়, যে ভাৰত আৰু গায়ানাই সকলো বিষয়ৰ সমাধানৰ বাবে আলোচনা আৰু কূটনীতিৰ সহায় লোৱা উচিত বুলি মতপোষণ কৰে। তেওঁ কয়, যে দুয়োখন দেশে গোলকীয় প্ৰতিষ্ঠানসমূহৰ সংস্কাৰ সময়ৰ আহ্বান হৈ পৰা বুলিও সহমত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে জলবায়ু ন্যায় দুয়োখন দেশৰ বাবে উমৈহতীয়া অগ্ৰাধিকাৰৰ বিষয় আৰু দেশ দুখনে সকলো ক্ষেত্ৰত প্ৰগতিৰ চেষ্টা অব্যাহত ৰাখিব।

গায়ানা আন্তঃৰাষ্ট্ৰীয় সৌৰজোঁট, বিপৰ্যয় প্ৰতিৰোধী আন্তঃগাঁথনি জোঁট আৰু গোলকীয় জৈৱ ইন্ধন জোঁটৰ লেখীয়া ভাৰতে গ্ৰহণ কৰা বিভিন্ন উদ্যমৰ সৈতে জড়িত বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এনে ধৰণৰ সহযোগিতাই দুয়োখন দেশক সেউজ আৰু বহণক্ষম ভৱিষ্যতৰ প্ৰয়াস সুদৃঢ় কৰাত সহায় কৰিব।

গায়ানাৰ ৰাষ্ট্ৰপতি ডঃ মহম্মদ ইৰফান আলীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে হোৱা আলোচনাক অতিকে ফলপ্ৰসূ বুলি অভিহিত কৰে। এই আলোচনাই দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ লগতে সহযোগিতাৰে আঞ্চলিক আৰু গোলকীয় উদ্বেগ দূৰ কৰাৰ প্ৰতি থকা উমৈহতীয়া প্ৰতিশ্ৰুতি শক্তিশালী কৰি তুলিব। প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণে দুয়োখন দেশৰ মাজত সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত মাইলৰ খুঁটি ৰূপে পৰিগণিত হ'ব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰে আৰু উন্নয়নশীল দেশসমূহৰ ক্ষেত্ৰত লোৱা নেতৃত্ব আৰু অৱদানৰ বাবে চেম্পিয়ন এমং লিডাৰ্ছ বুলি অভিধা প্ৰদান কৰে। পাছত প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি ইৰফান আলীয়ে মাতৃৰ নামত এজোপা গছ উদ্যমৰ অধীনত জৰ্জটাউনত এটি গছ পুলি ৰোপণ কৰে। প্ৰধানমন্ত্ৰীয়ে আজি গায়ানাৰ সংসদক সম্বোধন কৰিব। তেওঁ লগতে গায়ানা আৰু কেৰিবীয় অঞ্চলৰ আগশাৰীৰ ক্ৰিকেট খেলুৱৈসকলৰ সৈতেও মত বিনিময় কৰিব। তেওঁ আজি দেশখনত বাস কৰা ভাৰতীয়মূলৰ লোকসকলৰ এটা সমাৱেশতো ভাষণ দিয়াৰ কথা আছে।

ooooo

ভাৰত কোভিড অথবা প্ৰাকৃতিক বিপৰ্যয়েই হওক বা উন্নয়নমূলক বিষয়েই হওক সদায় কেৰীকম সদস্য ৰাষ্ট্ৰসমূহৰ সৈতে থিয় দি আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। গায়ানাৰ জৰ্জটাউনত যোৱানিশা দ্বিতীয় ভাৰত-কেৰীকম শীৰ্ষ সন্মিলনত ভাষণ দি শ্ৰীমোদীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে, এই সন্মিলন ৫ বছৰৰ মূৰত অনুষ্ঠিত হৈছে আৰু এই ৫ বছৰত বিশ্বৰ আমূল পৰিৱৰ্তন হৈছে। এই সময়ছোৱাত মানৱজাতি কেতবোৰ বৃহৎ জটিলতাৰ সন্মুখীন হৈছে আৰু ইয়াৰ ফলত গ্ল'বেল ছাউথ ৰূপে পৰিচিত অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে কম উন্নত ৰাষ্ট্ৰসমূহ বেয়াকৈ প্ৰভাৱিত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়। শ্ৰীমোদীয়ে কয় যে, ভাৰতে সদায় কেৰীকম ৰাষ্ট্ৰসমূহৰ সৈতে একেলগে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ চেষ্টা কৰি আহিছে। শ্ৰীমোদীয়ে বেৰীল নামৰ ধুমুহাৰ ফলত কেৰিবীয় অঞ্চলত হোৱা ক্ষয়-ক্ষতিৰ বাবে ভাৰতৰ জনসাধাৰণৰ হৈ গভীৰ শোক প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নিশা দ্বিতীয় ভাৰত-কেৰীকম শীৰ্ষ সন্মিলনৰ সুযোগতে ডমিনিকাৰ প্ৰধানমন্ত্ৰী ৰুজৱেল্ট স্কেৰিটক সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে তেওঁলৈ দেশখনৰ সৰ্বোচ্চ সন্মান প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। দুয়োগৰাকী নেতাই জলবায়ু স্থিতিস্থাপকতা, স্বাস্থ্য সেৱা, ক্ষমতা বিকাশ আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক আদি বিভিন্ন ক্ষেত্ৰত দেশ দুখনৰ মাজৰ সহযোগিতা সুদৃঢ় কৰাৰ দিশ সন্দৰ্ভত আলোচনা কৰে। তেওঁলোকে লগতে ৰাষ্ট্ৰসংঘত সহযোগিতাৰ বিষয় লৈও আলোচনা কৰে।

শ্ৰীমোদীয়ে চুৰিনামৰ ৰাষ্ট্ৰপতি চন্দ্ৰিকাপ্ৰসাদ চান চন্তোখীকো সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই ভাৰত-চুৰীনাম অংশীদাৰিত্বৰ অগ্ৰগতি পৰ্যালোচনা কৰে আৰু অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰাৰ সন্দৰ্ভত জোৰ দিয়ে। তেওঁলোকে লগতে প্ৰতিৰক্ষা আৰু সুৰক্ষা, ব্যৱসায় আৰু বাণিজ্য, কৃষি, ডিজিটেল উদ্যম, স্বাস্থ্যসেৱা আদিকে ধৰি ভালেমান ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা সম্প্ৰসাৰণ কৰাৰ বাবেও সহমত প্ৰকাশ কৰে।

এই সন্মিলনৰ সুযোগতে শ্ৰীমোদীয়ে ত্ৰিনিডাড আৰু ট'বেগ'ৰ প্ৰধানমন্ত্ৰী ড° কেইথ ৰাউলেক সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে ভাৰতৰ ধ্বজ্জাবাহী ইউ পি আই মঞ্চ ব্যৱহাৰ কৰাৰ বাবে ড০ ৰাউলেক শুভেচ্ছা জ্ঞাপন কৰে। দুয়োগৰাকী নেতাই ডিজিটেল পৰিৱৰ্তন, স্বাস্থ্য, প্ৰতিৰক্ষা আৰু সামুদ্ৰিক নিৰাপত্তা, পৰিবহণ আৰু সাংস্কৃতিক বিনিময় আদি ভাৰত-ত্ৰিনিদাদ আৰু ট'বেগ'ৰ সম্পৰ্ক শক্তিশালী কৰাৰ দিশ সন্দৰ্ভত আলোচনা কৰে।

বাহামাচৰ প্ৰধানমন্ত্ৰী ফিলিপ ব্ৰেভ ডেভিছৰ সৈতে হোৱা সাক্ষাতৰ সময়ত শ্ৰীমোদীয়ে অৰ্থনৈতিক সম্পৰ্ক, জলবায়ু পৰিৱৰ্তন, সেউজ অংশীদাৰিত্ব শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে। দুয়োগৰাকী নেতাই মাতৃৰ নামত এজোপা গছ অভিযান সন্দৰ্ভতো মত-বিনিময় কৰে।

প্ৰধানমন্ত্ৰী মোদী আৰু বাৰ্বাডোচৰ প্ৰধানমন্ত্ৰী মিয়া অমোৰ ম'টলীয় বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত দুয়োখন দেশৰ মাজত থকা সহযোগিতাৰ পৰ্যালোচনা কৰাৰ লগতে দেশ-দুখনৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰা সন্দৰ্ভত আলোকপাত কৰে। এই আলোচনাৰ সময়ত বাৰ্বাডোচৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্ৰীমোদীক সন্মানীয় অৰ্ডাৰ অৱ ফ্ৰীডম অব বাৰ্বাডোচ সন্মান প্ৰদানৰ কথা ঘোষণা কৰে। অহা ৩০ নৱেম্বৰত শ্ৰীমোদীক এই সন্মান প্ৰদান কৰা হ'ব।

শ্ৰীমোদীয়ে এই শীৰ্ষ সন্মিলনৰ সুযোগতে গ্ৰেনাডাৰ প্ৰধানমন্ত্ৰী ডিকন মিটচেলকো সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে দ্বিতীয় ভাৰত কেৰীকম শীৰ্ষ সন্মিলন সফলতাৰে আয়োজন কৰাৰ বাবে শ্ৰীমিটচেলক অভিনন্দন জ্ঞাপন কৰে। নেতা দুগৰাকীয়ে শিক্ষা, আই চি টি, স্বাস্থ্যসেৱা, খাদ্য সুৰক্ষা, ক্ৰিকেট, ক্ষমতা বিকাশ আৰু স্থায়ী বিকাশ আদি বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বিষয়েও আলোচনা কৰে।

০০০০০

মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচন কালি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, মহাৰাষ্ট্ৰত ৬৫ দশমিক ১-১ আৰু ঝাৰখণ্ডত ৬৮ দশমিক ৪-৫ শতাংশ ভোটদান হয়। দুয়োখন ৰাজ্যতে ২০১৯ চনৰ বিধানসভা নিৰ্বাচনতকৈ অধিক ভোটদান হোৱা বুলি আয়োগে ঘোষণা কৰিছে। ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে কালি এটা পৰ্যায়ত ভোটগ্ৰহণ হয়। ঝাৰখণ্ডত কালি দ্বিতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনত ৩৮টা সমষ্টি সামৰি লোৱা হয়। চাৰিখন ৰাজ্যৰ ১৫টা বিধানসভা সমষ্টি আৰু মহাৰাষ্ট্ৰৰ নান্দেড় লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ ভোটগ্ৰহণ কালি নিয়াৰিকৈ সম্পন্ন হয়।

০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ- CBSEয়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ বোৰ্ড পৰীক্ষাসমূহ অহা বছৰ ১৫ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব বুলি ঘোষণা কৰিছে। দশম শ্ৰেণীৰ পৰীক্ষা ১৮ মাৰ্চত আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষা ৪ এপ্ৰিলত সামৰণি পৰিব।

০০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে প্ৰতিৰোধী  সংক্ৰমণৰ বাবে নেফিথ্ৰ'মাইচিন নামৰ প্ৰথমটো স্বদেশী এণ্টিবায়টিক ঔষধ মুকলি কৰিছে। নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত ভাষণ দি শ্ৰীসিঙে কয়, যে নেফিথ্ৰ'মাইচিনৰ তিনিদিনীয়া চিকিৎসা  নিউমনিয়া ৰোগৰ ক্ষেত্ৰত যুগান্তকাৰী বুলি পৰিগণিত হ'ব। নিউমনিয়াৰ বাবে বছৰি প্ৰায় ২০ লাখ লোকে প্ৰাণ হেৰুৱায়।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে তেলেংগানালৈ যাব। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি হায়দৰাবাদত কোটি দীপোৎসৱম-২০২৪ অনুষ্ঠানত অংশ ল'ব। কাইলৈ ৰাষ্ট্ৰপতি মুৰ্মুৱে হায়দৰাবাদত আয়োজিত লোক মন্থন-২০২৪ অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰিব।

০০০০০

ভাৰতে কালি বিহাৰৰ ৰাজগিৰত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত চীনক ১-০ গ'লত পৰাস্ত কৰি খিতাপ দখল কৰে। খেলখনত দীপিকাই ভাৰতৰ হৈ একমাত্ৰ গ'লটো দিয়ে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ দখল কৰাৰ বাবে ভাৰতীয় হকী দলক অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতিয়ে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত কয়, যে ভাৰতীয় মহিলা দলটো প্ৰতিযোগিতাত অপৰাজিত হৈ ৰয়, নিজৰ খিতাপ অক্ষুন্ন ৰাখে আৰু দেশৰ হৈ তৃতীয়বাৰৰ বাবে এছিয়ান চেম্পিয়নছ ট্ৰফীৰ খিতাপ হস্তগত কৰে। তেওঁলোক নিজৰ প্ৰদৰ্শনেৰে দেশক গৌৰৱান্বিত কৰা বুলিও ৰাষ্ট্ৰপতিয়ে উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৱে ফাইনেলৰ একমাত্ৰ গ'লসহ প্ৰতিযোগিতাত  সৰ্বাধিক গল দিয়াৰ বাবে দীপিকাক বিশেষ অভিনন্দন জ্ঞাপন কৰে।

উপ ৰাষ্ট্ৰপতিয়ে তেওঁৰ বাৰ্তাত কয়, যে এই জয়ে ভাৰতীয় দলৰ অভূতপূৰ্ব দক্ষতা, দৃঢ় সংকল্প আৰু অনুশাসনৰ কথাকেই সূচাইছে। তেওঁলোকৰ প্ৰদৰ্শনক লৈ সমগ্ৰ দেশে গৌৰৱ অনুভৱ কৰা বুলিও তেওঁ মন্তব্য কৰে।

০০০০০

**সমাপ্ত**